যেতিয়া বান্দা অসুস্থ হয় অথবা ভ্ৰমণত থাকে, তেতিয়া তাৰ বাবে সেই আমলৰ দৰেই (ছোৱাব) লিখা হয়, যিদৰে তেওঁ মুকীম অৱস্থাত সুস্থ শৰীৰে আমল কৰিছিল।

আবূ মুছা আল-আশ্ব'আৰী ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: যেতিয়া বান্দা অসুস্থ হয় অথবা ভ্ৰমণত থাকে, তেতিয়া তাৰ বাবে সেই আমলৰ দৰেই (ছোৱাব) লিখা হয়, যিদৰে তেওঁ মুকীম অৱস্থাত সুস্থ
শৰীৰে আমল কৰিছিল।
[ছহীহ] [(বুখাৰী)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আল্লাহৰ ফজল আৰু তেওঁৰ ৰহমতৰ বিষয়ে জনাইছে। এজন মুছলিম ব্যক্তিয়ে সুস্থ থকা অৱস্থাত স্ব-স্থানত সাধাৰণতে যিবোৰ নেক আমল কৰে, কিন্তু বেমাৰ আজাৰৰ ফলত যদি সেইবোৰ আমল কৰিব নোৱাৰে অথবা ভ্ৰমণত যোৱাৰ কাৰণে যদি সেইবোৰ আমল কৰাত অসুবিধা হয় নাইবা আন কোনো কাৰণত কৰিব নোৱাৰে তেন্তে আল্লাহে তাক সেইবোৰ কৰ্মৰ পৰিপূৰ্ণ ছোৱাব প্ৰদান কৰে, যিদৰে সুস্থ থকা অৱস্থাত বা নিজৰ ঠাইত থকা অৱস্থাত তেওঁ কৰিছিল।

http://sunnah.global/hadeeth/as/show/3553